**3 (Sem-6) ASM M 6**

**2017**

ASSAMESE

( Major )

Paper : 6.6

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমুকৈ উত্তৰ দিয়া (যি কোনো সাতটা) : ১×৭=৭

(ক) 'ৰূপান্তৰ সৃজনাত্মক ব্যাকৰণ' (T. G. Grammar) কোনে প্ৰতিষ্ঠা কৰিছিল?

(খ) *A Course in Modern Linguistics* নামৰ গ্ৰন্থখনৰ প্ৰণেতা কোন?

(গ) ডঃ বাণীকান্ত কাকতিৰ গৱেষণা গ্ৰন্থখনৰ নাম কি?

(ঘ) কোনো এটা ভাষাৰ কোনো এক সময়ৰ গঠনৰ প্ৰণালীবদ্ধ অধ্যয়নক কি ভাষাবিজ্ঞান বোলা হয়?

(ঙ) ভাষাৰ আটাইতকৈ ক্ষুদ্ৰ উপাদানবিধ কি?

( Turn Over )

(চ) ভাষাৰ ক্ষুদ্ৰতম অৰ্থবহ গোটটোক কি বোলে ?

(ছ) "অতীতত সংস্কৃত 'প্ৰৱীণ' শব্দই ভালকৈ বীণা বজোৱা লোকক বুজাইছিল ; কিন্তু এতিয়া এই শব্দই সকলো কাম নিপুণতাৰে কৰা অভিজ্ঞজনক বুজায়।" শব্দাৰ্থ পৰিৱৰ্তনৰ ত্ৰিধাৰাত এই পৰিৱৰ্তনক কি বুলি কোৱা হয় ?

(জ) *Syntactic Structures* শীৰ্ষক গ্ৰন্থখন কোন চনত প্ৰকাশ হৈছিল ?

(ঝ) উপভাষা সৃষ্টিৰ মূল কাৰণটো কি ?

২। চমু উত্তৰ দিয়া (যি কোনো চাৰিটা) : ২×৪=৮

(ক) তুলনামূলক আৰু বিৰোধমূলক ভাষাবিজ্ঞানৰ পাৰ্থক্য বিচাৰ কৰা।

(খ) আন্তঃৰাষ্ট্ৰীয় ধ্বনিলিপি (IPA) সম্পৰ্কে চমুকৈ লিখা।

(গ) মুক্তৰূপ আৰু প্ৰকৃতি (মূল প্ৰাকৃতি)ৰ মাজৰ পাৰ্থক্য বুজাই লিখা।

(ঘ) শব্দৰ অৰ্থোৎকৰ্ষ বুলিলে কি বুজা ?

(ঙ) বাক্যতত্ত্বত পদৰ অৰ্থগত যোগ্যতাৰ গুৰুত্ব সম্পৰ্কে লিখা।

(চ) উপভাষাগত ভূগোল (Dialect geography) বুলিলে কি বুজা ?

৩। চমু টোকা লিখা (যি কোনো তিনিটা) : ৫×৩=১৫

(ক) ঐতিহাসিক ভাষাবিজ্ঞান আৰু ভাষাতত্ত্ব

(খ) উচ্চাৰণকৰণ আৰু উচ্চাৰণৰ স্থান

(গ) প্ৰাকৃতি আৰু উপাকৃতি

(ঘ) শব্দাৰ্থ পৰিৱৰ্তনৰ কাৰণ

(ঙ) সমাজ-ভাষাবিজ্ঞান

৪। (ক) ধ্বনিবিজ্ঞান বুলিলে কি বুজা? ধ্বনিবিজ্ঞান (Phonetics), বিশিষ্ট ধ্বনিবিজ্ঞান (Phonemics) আৰু ধ্বনিতত্ত্ব (Phonology)ৰ বিষয়ে চমুকৈ আলোচনা কৰা। ৪+৬=১০

অথবা

(খ) প্ৰাকৃতি বিজ্ঞান কাক বোলে? প্ৰাকৃতি বিজ্ঞানৰ আলোচ্য বিষয়সমূহৰ বিষয়ে উদাহৰণসহ আলোচনা কৰা। ২+৮=১০

৫। (ক) ভাষাবিজ্ঞান বুলিলে কি বুজা? ভাষাবিজ্ঞানৰ শাখা-বিভাজন দেখুৱাই ঐতিহাসিক আৰু বৰ্ণনাত্মক ভাষাবিজ্ঞানৰ বিষয়ে বহলাই আলোচনা কৰা। ২+২+৬=১০

অথবা

(খ) উপভাষাবিজ্ঞান কি? উপভাষাবিজ্ঞানত ক্ষেত্ৰ-অধ্যয়ন পদ্ধতিৰে কেনেদৰে উপভাষাৰ সীমা নিৰ্ধাৰণ কৰা হয়, বৰ্ণনা কৰা। ৩+৭=১০

*(Turn Over)*

৬। (ক) শব্দাৰ্থবিজ্ঞান (Semantics) কাক বোলে? শব্দৰ অৰ্থ পৰিৱৰ্তনৰ বিভিন্ন ধাৰা সম্পৰ্কে উদাহৰণসহ আলোচনা কৰা। ৪+৬=১০

অথবা

(খ) বাক্যতত্ত্ব (Syntax) বুলিলে কি বুজা? বাক্যতত্ত্বৰ বিভিন্ন উপাদানসমূহ উদাহৰণসহ বিশ্লেষণ কৰি দেখুওৱা। ৪+৬=১০

★★★